# অসমত উন্নয়নমূলক কাম-কাজ ত্বৰান্বিত কৰিব বন্ধন বেংকে




**গুৱাহাটী ঃ** যোৱা দুটা দশক ধৰি দেশজুৰি সমাজৰ কল্যাণ আৰু উন্নয়নৰ লগতে জনসাধাৰণৰ হিতাৰ্থে বিভিন্ন অৰ্থবহ অৰিহণা আগবঢ়াই আহিছে বন্ধন বেংকে। প্ৰতিষ্ঠানটোৰ উন্নয়নমূলক কাম-কাজৰ অংশ হিচাপে বন্ধন বেংকে আগলৈ ইয়াৰ উন্নয়নমূলক কাম ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অসমক এখন গুৰুত্বপূৰ্ণ ৰাজ্য হিচাপে চিনাক্ত কৰিছে। যোৱা ২০০৭ চনৰে পৰা ইয়াৰ উন্নয়নমূলক আঁচনিৰ জৰিয়তে বন্ধন বেংকে ৰাজ্যখনৰ সমাজ ব্যৱস্থাৰে জড়িত হৈ আহিছে। এই সময়ছোৱাত বন্ধন বেংকে প্ৰায় ২.৫ লাখ অসমীয়া লোকৰ কাম চাপি তেওঁলোকৰ জীৱন ধাৰণৰ মান উন্নত কৰাত সহায় কৰি আহিছে। ইয়াৰ বিশেষ আঁচনি 'বন্ধন কন্নাগৰ'ৰ জৰিয়তে অসমৰ জনসাধাৰণৰ জীৱিকাৰ লগতে স্বাস্থ্য, শিক্ষা আৰু নিযুক্তি সৃষ্টিত গুৰুত্ব আৰোপ কৰি আহিছে বন্ধন বেংকে। এই 'বন্ধন কন্নাগৰ' আঁচনিখন বিশেষকৈ দৰিদ্ৰ লোকৰ সহায়ৰ বাবে ৰূপায়ণ কৰা হৈছে, যাক 'টাৰ্গেটিং দা হাৰ্ডক'ৰ প'ৰ'' নামেৰে নামকৰণ কৰা হৈছে। ইয়াৰ অধীনত বিভিন্ন পিচপৰা শ্ৰেণীৰ মহিলাসকললৈ বিশেষ পুঁজি আগবঢ়োৱা হৈছে। এনে পুঁজিৰ সহায়ত মহিলাসকলে উপাৰ্জন কৰিবলৈ সক্ষম হোৱাৰ লগতে জীৱন ধাৰণৰ মানো উন্নত কৰিবলৈ সক্ষম হৈছে। লক্ষণীয় যে এই আঁচনি আৰম্ভ হোৱাৰ ১৮-২৪ মাহৰ ভিতৰতে আঁচনিখনৰ হিতাধিকাৰীসকলে দাৰিদ্ৰ্য সীমাৰেখাৰ পৰা নিজকে উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এই টি এইচ পি আঁচনিৰ জৰিয়তে বন্ধন বেংকে অসমত এইপৰ্যন্ত ১০ হেজাৰতকৈও অধিক মহিলাৰ জীৱন উন্নত কৰিবলৈ সক্ষম হৈছে।